# সূচীপাত

সম্পাদকীয় /০৮

## কবিতা

দুটি কবিতা / দেৱজিৎ বৰা /১১
নিলিখা চিঠিৰ কথা / ৰণ্টু দাস /১২
অগস্তি যাত্ৰা / অনুপম ৰয় /১২
সুজলা প্ৰেম / মণিকা ৰাভা /১৩
জীৱনটো এখন দাপোন জানো / কাকলি বসুমতাৰী /১৩
যাত্ৰা মহাশূণ্যলৈ / দেৱযানী মজুমদাৰ /১৪
একাঁজলি নিৰীহ বেদনা / চন্দ্ৰধৰ কলিতা /১৪
আধাৰ শিলা / অনিতা ৰাভা /১৫
সময়ৰ স'তে সহবাস / ৰঞ্জিৎ কুমাৰ ৰাভা /১৫
নিৰ্জনতাৰ কবিতা / দধীমোহন মেধি /১৬
আশা / জয়ন্ত শৰণীয়া বড়ো /১৬
তোমাৰ পৰশত / সংগ্ৰামী কলিতা /১৭
দেওলগা মহানগৰ / দেৱজিৎ দাস /১৭
ব্যাকুল হিয়াই মাতে / জ্যোতিকা ৰাভা /১৮
আহ্বান / দীনবন্ধু ঠাকুৰীয়া /১৮
সেই প্ৰেম সেই তৃষ্ণা / গৌতম মজুমদাৰ /১৯
স্বাগতম / বশিষ্ঠদেৱ শৰ্মা /১৯
জীৱনৰ হিচাপ / গীতাঞ্জলী মজুমদাৰ /২০
বাসনা / চন্দামিতা দাস /২০
অসমীৰে আকাশতে / নিৰঞ্জন মহন্ত /২১
প্ৰেম / প্ৰহ্লাদ ভৰালী /২১
প্ৰেম পাৰিজাত / অনিতা ৰাভা /২২
উলঙ্গ পৃথিৱীৰ কান্দোন / ৰঞ্জিত কুমাৰ ৰাভা /২২
বৰফৰ হাত / বসন্ত কুমাৰ দত্ত /২৩

## সাহিত্য

নৱকান্ত বৰুৱাৰ কবিতা / মণিৰুদ্দিন আহমেদ /২৪
কাব্য সৃষ্টিৰ অন্তৰালত নাৰী আৰু প্ৰেম / সঞ্জয় ৰাভা /২৭
জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিপ্লৱী কণ্ঠ / যতীন দাস /৩০
অসমৰ মনসা কবিসকলৰ ৰচনাত মনসা কথাবৃত্ত ঃ এটি অধ্যয়ন / ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া /৩৩
এৰিষ্টটলৰ সাহিত্য সমালোচনা / ললিত চন্দ্ৰ ৰাভা /৩৬

## সাম্প্রতিক

সন্ত্রাসবাদ আৰু সাংবাদিক ঃ এটি আলোচনা / লতিকা শৰ্মা /৩৯

সাম্প্ৰতিক কালত অসমত জন জাগৰণৰ প্ৰাসঙ্গিকতা / বশিষ্ঠদেৱ শৰ্মা /৪১

## প্ৰকৃতি

প্ৰাণী জগতৰ অনন্য বিস্ময় / জগদীশ চন্দ্ৰ নাথ /৪৪

## বিজ্ঞান

ফিবনাকী সংখ্যা / দীপংকৰ শৰ্মা /৪৬

## পৰ্যটন

দীঘাৰ পৰা ৰোথাংপাছলৈ / কমলেশ্বৰ ঠাকুৰীয়া /৪৯

## শাশ্বত

মানৱীয় মূল্য / মঞ্জিৰা শৰ্মা /৫৪

## ইতিহাস

মানৱতাবাদ / দ্বিজেন্দ্ৰনাথ দাস /৫৬

## গল্প

ভগ্ন প্ৰাচীৰ / সদানন্দ ৰাভা /৬২

বিষাদ / প্ৰফুল্ল কুমাৰ বড়ো /৬৬

## বিচিত্ৰা

শ্ৰদ্ধাৰ্ঘ্য /৭০

এলবাম /৭৭

বিভাগীয় সম্পাদকৰ প্ৰতিবেদন /৯২

মহাবিদ্যালয়ৰ সপ্তাহৰ বেঙণি / ১০৪

## বর' বিফান

### সলক

फैसाला जालांबाय / प्रानजली बर' / 110

खन्थाय
फेलें / भैरबी बर' / 112
नों आंनि / अरपना खाखोलारी (राणी) / 112
मिजिं / संगीता बर' /113
गोरोन्थि दासान / प्रानजली बर' /113

# English Section

Economy
Land and Revenue administration in Kamrup / Dr. Ramakanta Baruah /114

Politics
Socio-economic and political status of women of the minority community in south kamrup / Praneswar Nath /118

Science
Importance of remote sensing application / N. C. Mudiar /127

Education
Education for the twenty-first century / Bijaya Deka /132
Distance Education in India / Deepanjali Kalita /135

Appendix
Teaching Staff /138
Office Staff / 140
Ex-Editors with the profs-in charge of the Jawarjyoti / 141
Student's Union / 142
Ex-General Secretaries / 142
Graduate of the year, 2001 / 143

# Sri Gopi Nath Das, MLA

48-Boko (SC) Constituency
New MLA Hostel, Qr. No. 305
Dispur, Ghy-6




## শুভেচ্ছা বাণী

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰজ্যোতি'ৰ ত্ৰয়োবিংশতিতম সংখ্যাটি প্ৰকাশ কৰিব বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ। মুখপত্ৰখনৰ জড়িয়তে মহাবিদ্যালয়খনৰ এটি খতিয়ান দাঙি ধৰাৰ লগতে ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলে ইয়াৰ জৰিয়তে সাহিত্য চৰ্চাৰ সুযোগ পায়। মুখপত্ৰখনৰ সফল কামনা কৰাৰ লগতে ইয়াৰ উদ্যোক্তাসকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে -
স্বাক্ষৰ
(শ্ৰীগোপীনাথ দাস)

## সম্পাদকীয়

# শিক্ষা ব্যৱস্থা, শৈক্ষিক পৰিৱেশ আৰু মানৱ সম্পদৰ উন্নয়ন

মানৱ জীৱনৰ শিক্ষা গ্ৰহণ এটা নিৰ্দিষ্ট সময়তে সীমাবদ্ধ নহয় । ই বতাহৰ দৰে ব্যাপক । জীৱনৰ আদিম পুৱাৰে পৰা মৃত্যুৰ সময়লৈকে শিক্ষা গ্ৰহণৰ প্ৰক্ৰিয়া চলি থাকে । এই প্ৰক্ৰিয়া অব্যাহত থাকে অধ্যয়নৰ মাজত। কিতাপ-পত্ৰ শিক্ষাৰ মৌ-কোঁহ । মৌ-কোঁহত যেনেদৰে মৌ-ৰস বিদ্যমান, ঠিক তেনেদৰে কিতাপ-পত্ৰ আদিত জ্ঞান ৰস বিদ্যমান । সত্য নাথ বৰাৰ ভাষাত, 'পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা ।' মহৰ্ষিসকলে জীৱন জুৰি সাধনা কৰি লাভ কৰা জ্ঞানসমূহ তেওঁলোকে ৰচনা কৰা গ্ৰন্থত থুপাই থোৱা থাকে আৰু সেই গ্ৰন্থ অধ্যয়ন কৰি অতি কম সময়ৰ ভিতৰতে সেই বিস্তৰ জ্ঞান লাভ কৰিব পাৰি । কিন্তু আজিৰ এচাম ছাত্ৰই পুথি অধ্যয়ন কৰাৰ পৰিবৰ্তে অশ্লীল বোলছবি চোৱা, মাদক দ্ৰব্য সেৱন কৰা আদি কাৰ্যত লিপ্ত হোৱা পৰিলক্ষিত হৈছে । উশৃংখল ছাত্ৰসকলে নিজৰ লগতে সমাজলৈ মাতি আনিছে চৰম বিভীষিকা । তদুপৰি সাম্প্ৰতিক কালৰ সামাজিক বাতাবৰণে যি ৰূপ লৈছে, তাত ছাত্ৰ-ছাত্ৰীসকলে সুশিক্ষা গ্ৰহণ কৰি সুনাগৰিক হোৱাটো জটিল হৈ পৰিছে । মাৰাত্মক কথা হৈছে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সমাজৰ মাজত যি মধুৰ সম্পৰ্ক থাকিব লাাগে, বৰ্তমান সময়ত সেই সম্পৰ্কৰ অৱনতি ঘটা পৰিলক্ষিত হৈছে । ইয়াৰ বাবে বৰ্তমানৰ শিক্ষা ব্যৱস্থাও কিছু পৰিমাণে দায়ী । আজিৰ অসমত কৰ্মমুখী আৰু বাস্তৱমুখী শিক্ষাৰ বহুল প্ৰচাৰৰ অভাৱত হেজাৰ হেজাৰ নিবনুৱাৰ সৃষ্টি হৈছে আৰু এই সকল দেশ তথা সমাজৰ বোজা স্বৰূপ হৈ পৰিছে। কেৱল মাথোঁ শিক্ষিতৰ সংখ্যা বঢ়োৱাটোৱে শিক্ষাৰ মূল উদেশ্য নহয় ; মানৱ সম্পদৰ উপযুক্ত বিকাশ সাধন কৰাটোহে হৈছে শিক্ষাৰ মূল কথা । এক মূল্যবোধ আৰু নীতিবোধৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰিব পাৰিলেহে শিক্ষাৰ সফলতা আহিব । বৃটিছ চৰকাৰে প্ৰবৰ্তন কৰি থোৱা কেৰাণী-মহৰি তৈয়াৰ কৰা শিক্ষা-ব্যৱস্থাৰ আমূল পৰিবৰ্তন কৰি বৃত্তিমুখী শিক্ষা ব্যৱস্থাৰ প্ৰবৰ্তন কৰিলেহে মানৱ সম্পদৰ পূৰ্ণ বিকাশ সম্ভৱপৰ হৈ উঠিব ।

## প্ৰসঙ্গঃ অসমৰ সাম্প্ৰতিক পৰিস্থিতি

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত এখন সৰ্বাঙ্গসুন্দৰ ৰাজ্য হৈছে অসম। ড° ভূপেন হাজৰিকাৰ ভাষাত —

'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশত সূৰ্য উঠা দেশ ।'

অসম ৰাজ্যৰ ৰূপ-গুণৰ তুলনা নাই । কিন্তু আজি আমি কি দেখিছোঁ ? পোৱা-নোপোৱাৰ প্ৰশ্নই আজি সকলোকে জোকাৰি গৈছে । তাৰ মাজতে সংঘটিত হৈছে কিছুমান অসামাজিক কাৰ্য । চাকৰিৰ নামত কত যুৱতী ধৰ্ষিতা হৈছে তাৰ হিচাপ নাই । গুপ্তহত্যা, অপহৰণ আদিয়ে স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰি তুলিছে । চৰকাৰী বাহিনীৰ সন্ত্ৰাসৰ বাবে ডেকা ল'ৰা, গাভৰু ছোৱালী থকা পিতৃ-মাতৃয়ে নিশা শান্তিৰে শুব নোৱাৰে। উগ্ৰপন্থী বিচৰাৰ নামত জনসাধাৰণৰ ওপৰত চৰকাৰী বাহিনীয়ে নিৰ্যাতন চলাই আহিছে । এনে কদৰ্য ৰূপৰ পৰিবৰ্তন হোৱাৰ কামনাৰে অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ ভাষাৰে সমাজক স্বচ্ছ আৰু নিকা কৰিবলৈ আহ্বান জনাইছোঁ—

'তোমাৰ সৃষ্টি কদাকাৰ কৰা মালি মামৰৰ দম
বিশ্বৰ পৰা সাৰি পুছি আনি মযেই গৰাকী হ'ম ।'

প্ৰাচীন কালৰ পৰা আমাৰ ৰাজ্য প্ৰাকৃতিক সম্পদত চহকী । প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক

সম্পদ মজুত থকা সত্বেও অসম আজি অৰ্থনৈতিক ভাবে পিছপৰা। অৱশ্যে ইয়াৰ কাৰণ নথকা নহয় । উপযুক্ত আৰু সুপৰিকল্পিত আঁচনি প্ৰয়োগ নোহোৱাই ইয়াৰ অন্যতম কাৰণ । ছাত্ৰ-ছাত্ৰী দেশৰ ভবিষ্যতৰ ধৰণীস্বৰূপ। সেয়ে দেশক অৰ্থনৈতিক দিশত আগুৱাই নিয়াৰ দায়িত্ব তেওঁলোকৰ আছে । দেশৰ সম্পদসমূহৰ সদ্ ব্যৱহাৰ তথা উন্নতিৰ কথা চিন্তা কৰাৰ বাবে যদি ছাত্ৰ-ছাত্ৰীসকল সচেতন মনোভাৱ লৈ আগবাঢ়ি আহে, অসম অৱশ্যেই অৰ্থনৈতিকভাৱে উন্নতিৰ পথত আগবাঢ়িব। নাগৰিকৰ সচেতনতা দেশৰ উন্নতিৰ অন্যতম উপাদান । সেয়ে নাগৰিকসকল সচেতন হোৱা বাঞ্চনীয়। তেতিয়াহে আনন্দৰাম ঢেকিয়াল ফুকনে বিচৰাৰ দৰে অসমৰ প্ৰতিটো দিশ সংস্কাৰ মুক্ত হোৱাৰ লগতে ধনময় হৈ উঠিব । ঢেকিয়াল ফুকনদেৱৰ ভাষাত — "অসম দেশ হাবি গুচি ফুলবাৰী হ'ব, পঁজাৰ ঠাইত অট্টালিকা হ'ব আৰু ভোঙ্গা গুচি ভাপৰ নাও হ'ব আৰু গোটেই দেশ ধনময় হ'ব ।"

## প্ৰসঙ্গঃ জৱাহৰজ্যোতি

[redacted]

"Literature is the mirror of the nation."

দাপোনত মুখখন প্ৰতিফলিত হোৱাৰ দৰে সাহিত্যৰ জৰিয়তে কোনো এটা জাতিৰ জাতীয় সত্তাৰ স্বৰূপ, অতীত আৰু বৰ্তমানৰ প্ৰতিবিম্ব সুস্পষ্ট ৰূপত ফুটি উঠে । সেইদৰে মহাবিদ্যালয় এখনৰ অতীত আৰু বৰ্তমানৰ প্ৰতিছবিও ফুটি উঠে মহাবিদ্যালয়ৰ আলোচনীত । মহাবিদ্যালয়ৰ আলোচনী এখনে এচাম নপটুৱৈ তথা লেখক-লেখিকা সৃষ্টিত অৰিহণা যোগাব পাৰে ।

'জৱাৰজ্যোতি' আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ । সেয়ে মুখপত্ৰখনৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ স্বৰূপ ফুটি উঠিব লাগে । সম্পাদক হিচাপে আমি সেইখিনি প্ৰচেষ্টা কৰিছোঁ । এই ছেগতে আলোচনী সম্পাদকৰ দৰে এটি গধুৰ দায়িত্ব পালন কৰিবলৈ মোক সুবিধা দিয়া বাবে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ। আলোচনী এখন সম্পাদনা কৰা অতি কঠিন কাম । এই কঠিন কামকো সহজ কৰি ছাত্ৰ-ছাত্ৰী হাতত আলোচনীখন তুলি দিবলৈ সক্ষম হোৱা বাবে সম্পাদনা সমিতিৰ সভাপতি অধ্যক্ষ ড° ৰমাকান্ত বৰুৱা, উপাধ্যক্ষ দ্বিজেন্দ্ৰ নাথ দাস, অধ্যাপক শ্ৰীযুত উমেশ কৰৰ উপৰিও শ্ৰীযুতা ভৈৰৱী বড়ো বাইদেউলৈ কৃতজ্ঞতা জনালোঁ । মাননীয় তত্বাৱধায়ক মহোদয় অধ্যাপক শ্ৰীযুত ললিত চন্দ্ৰ ৰাভা ছাৰে প্ৰথম অৱস্থাৰে পৰা এই সময় ছোৱালৈকে ছাঁটোৰ দৰে লাগি থাকি যি দিহা-পৰামৰ্শ দি অনুপ্ৰেৰণা যোগালে, সেই কথা সদায় স্মৃতি হৈ ৰ'ব।

মোৰ কাৰ্যকালত বিভিন্ন সহায় আগবঢ়োৱা মোৰ বন্ধু-বান্ধৱী দধীমোহন, লব, মকবুল, প্ৰণব, জয়ন্ত, মাইনুদ্দিন, দেৱব্ৰত, হিৰণ্য, ভৱেশ, মহেন্দ্ৰ, চন্দনা, সুনীতা, যুতিকা, ছন্দামিতা, গংগা, চম্পা, ৰঞ্জিতা, সুঞ্জিতা, ৰশ্মি, ভানু, অদিতি, মিণ্টুমণি, ৰমেন, মাধৱৰ লগতে কাৰ্যালয়ৰ সহায়ক সদানন্দ আৰু সভাকালৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ । মনালিছা প্ৰেছৰ কৰ্মচাৰী বৃন্দই ধৈৰ্য সহকাৰে আলোচনীখন ছপা কৰি দিয়া বাবে তেখেতসকলো ধন্যবাদৰ পাত্ৰ ।

জয়তু জৱাহৰজ্যোতি ।



শ্ৰীসঞ্জয় ৰাভা
সম্পাদক, জৱাহৰজ্যোতি
২০০০-২০০১

# দুটি কবিতা

দেৱজিৎ বৰা
স্নাতক ৩য় বৰ্ষ (কলা)

## এটা প্ৰেমৰ পদ্য

তোমাৰ দুচকুত
শিমলু ফুলা চাবলৈ বিছাৰি ফুৰা
মোৰ এই ভাগৰুৱা চকুযোৰ সোলকাই থওঁ
শোকৰ জোলোঙাত

বেদনাহত একোটি উজাগৰী ৰাতি
বুকুৰ পৰা খহি পৰে সপোনৰ ঘৰ-দুৱাৰ
প্ৰেমাঙ্গনত উভালি পৰে
কলিজাত প্ৰোথিত প্ৰেমৰ গোলাপ লতা
যন্ত্ৰণাকাতৰ প্ৰতিটো নিশ্বাসত নিগৰিত হয়
যৌৱনৰ হিৰন্ময়ী বাসনা

মোৰ ব্যৰ্থ প্ৰেমৰ যন্ত্ৰণাতকৈও সুন্দৰ
তোমাৰ মায়াভৰা চকুৰ চাৱনি
যাৰ বাবে সহিলোঁ সোতৰটা বসন্তত
হিয়াৰ জ্বলা অগনি

চঞ্চল কৰি প্ৰতীক্ষাৰ সময়
মই ৰৈ থাকোঁ আজিও
তুমি যেন আহিবা এদিন
দুচকুৰ পদুলিৰে
দুখত নিমজ্জিত মোৰ বুকুৰ ঘৰলৈ ।।

❑❑

## মেলি দিয়া সেউজীয়া দুহাত

মই তোমাৰ বাবেই ৰৈ আছোঁ ইয়াত ।
মাজ নিশা অথবা সন্ধিয়া
দুপৰীয়া অথবা ৰাতিপুৱা
তোমাৰ বাবেই ৰৈ আছোঁ
গভীৰ আৰু অধীৰ প্ৰত্যাশাত ।
মেলি দিয়া, মেলি দিয়া
তোমাৰ সেউজীয়া দুহাত ।

মই তোমাৰ বাবেই ৰৈ আছোঁ
যদিও ইয়াত জুই জ্বলিছে চৌদিশ আৱৰি
চকুত জুই, তেজত জুই
কণ্ঠস্বৰত জুই, জুই বুকুত
জুইয়ে পোৱা প্ৰতিটো প্ৰহৰ
ভাঙি পৰোঁ পৰোঁ
জুই জ্বলা এখনি আকাশ

মই তোমাৰ বাবেই ৰৈ আছোঁ
গভীৰ আৰু অধীৰ প্ৰত্যাশাত
মেলি দিয়া তোমাৰ সেউজীয়া দুহাত ।
তোমাৰ স'তে দুহাত মিলাই
মই যাম এই জুইৰ সিপাৰলৈ —
য'ত আছে বিৰিখৰ সেউজীয়া ছাঁ
পখিলাই য'ত চুমা যাছে ফুলক
জোনাকে য'ত আঁকোৱালী লয় বোৱতী নৈ ।।

❑❑

# নিলিখা চিঠিৰ কথা

ৰণ্টু দাস
স্নাতক ২য় বৰ্ষ (কলা)

*এই মাত্ৰ যে আটোম টোকাৰিকৈ মই কথাবোৰ সজালোঁ পৰালোঁ*
*হয়, মই ইয়াতে ভৰাব খোজোঁ কথাখিনি।*

*ঠিকনা ?*
*ওহো, মই কোনোদিনে ভৰা নাছিলোঁ*
*কোনোবা দিনা যে মোৰ ঠিকনাৰ প্ৰয়োজন হ'ব পাৰে*
*অন্ততঃ এই যে খামটোত লিখিবলৈ ..........*

*মই ওপজাৰ পাছত মোক যিটো নামেৰে মাতিছিল*
*আছে আছে, মনত নাথাকিব কিয়*
*নথকাৰতো কাৰণেই নাই*
*ঠিকনাৰ শেষ মই তাতে বুলিয়েই ভাবিছোঁ*
*কিন্তু দৰা-কইনা সাজি ওমলা দিন এৰাৰে পৰা*
*এটি নতুন ঠিকনাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ লাহে লাহে*
*অন্ততঃ এই যে খামটোত লিখিবলৈ*

*এইমাত্ৰ যে আটোমটোকাৰিকৈ মই কথাবোৰ সজালোঁ পৰালোঁ*
*হয় হয়, মই ইয়াতেই ভৰাম*
*কি বুলিনো লিখিম খামটোত*
*লিখিম নেকি*
*মোৰ নগ্ন দেহত ঠেৰেঙা লগা*
*জাৰৰ নিশাৰ এজাক চেঁচা বতাহৰ কথা*
*অথবা কালান্তক সেই নিশাৰ পোহৰৰ ৰেখা*
*কোৰা— কি বুলিনো লিখিম*

❑❑

# অগস্তি যাত্ৰা

অনুপম ৰয়
উঃ মাঃ ১ম বৰ্ষ (কলা)

*তেওঁ আৰু ঘুৰি নাহে*
*কাৰণ তেজৰঙা ফলটোৰ*
*পাছে পাছে*
*সেইদিনাই আৰম্ভ হৈছিল*
*তেওঁৰ অগস্তি যাত্ৰা ।*
*তেওঁ এতিয়া অগম্য অৰণ্যৰ মাজত ।*
*হাত ভৰিবোৰ উখহিছে*
*আঙুলিবোৰত পিন্ধিছে*
*দৰিদ্ৰতাৰ বাখৰ খটোৱা আঙুঠি ।*
*ডিচেম্বৰৰ ঠেঁটুৰৈ ধৰা জাৰত*
*বুভুক্ষাৰ অগনিৰে*
*গা সেকিছে ।*
*তেওঁ আৰু ঘুৰি নাহে*
*যোৱাৰ আগতে মোলৈ*
*এখন চিঠি লিখিছিল*
*তাত অবিকল*
*কিছুমান নৰ কংকালৰ আঁক-বাঁক*
*ৰঙা চকুলোৰে মোলৈ লিখিছিল*
*ধোঁৱা বৰণীয়া কাগজত*
*কিছুমান খেলি-মেলি ভাৱনাৰে ।*
*হাঁহাকাৰ কৰি উঠিছিল*
*উৎসাহদীপ্ত মনটো,*
*সেমেকি উঠিছিল দুচকু*
*কম্পিত ওঁঠেৰে ওলাই আহিছিল*
*এটা কৰুণ হাঁহি ।*
*অৱশেষত লিখিছিল —*
*সময়বোৰ এতিয়া দুঃসময়*
*চৌদিশে এন্ধাৰ ।*
*নৱ প্ৰজন্মক*
*তোমাৰ সেউজীয়া খিনিৰে*
*কৰি তোলা অংশুমান ।*

❑❑

# সুজলা প্ৰেম

মণিকা ৰাভা
উঃমাঃ ১ম বাৰ্ষিক (কলা শাখা)

*তোমাক সুজলা প্ৰেমেৰে আহ্বান কৰোঁ*
*সকলো ফুলৰ নাম, সুফলা বৰণেৰে*
*গুণ গুণাই মৰম লগা মাতেৰে ।*
*দুৱৰি বনত নিয়ৰ হৈ তিতা শেৱালিত*
*ওৰেটো নিশা ফুলি থাকোঁ*
*যৌৱনৰ গোন্ধ মাৰ নোযোৱা এটি নিশাত ।*
*তুমি আহিবা নে ?*
*বৰষুণবোৰক, মেঘবোৰক আঁতৰাই*
*তোমাৰ থুনুক থানাক ভৰিৰে*
*কপহুৱা ডাঁৱৰ গছকি ?*
*তোমাৰ কি নাম দিছিল জানা ?*
*জানানে তোমাৰ নামৰ অৰ্থ! বাস্তৱ জগতৰ*
*পৃথিৱীৰ ইমান ঘন অন্ধকাৰত পাৰিবানে*
*তোমাৰ নামৰ অৰ্থ দিবলৈ ?*
*তুমি আহিবানে*
*নৈৰ দৰে জীৱনৰ*
*ফাগুনত ধুলিময় পথাৰেৰে*
*উম লগা ৰ'দত ওলমা বাটেৰে ?*
*ছিয়ানৈৰ ভয়ঙ্কৰ*
*খেল নাৱৰ বঠা মাৰি -*
*তুষাৰে আবৃত সৰল পাহাৰখন বগুৱা বাই*
*তুমি আহিবানে ?*

❑❑

# জীৱনটো এখন দাপোন জানো

কাকলি বসুমতাৰী
স্নাতক ২য় বৰ্ষ (বিজ্ঞান শাখা)

*"জীৱনটো এখন দাপোনৰ দৰে*
*তুমি হাঁহিলে হাঁহি দিব*
*তুমি কান্দিলে কান্দি দিব"*
*এইষাৰ কথাৰে তাই*
*মোৰ অট'গ্ৰাফৰ পৃষ্ঠা এটা শুৱনি কৰিছিল*
*ওভতনি যাত্ৰাৰ প্ৰাকমুহূৰ্ত এটিত*
*টেঙা ফুলৰ গোন্ধ বতাহত ভাহিছিল তেতিয়া ।।*
*জীয়া কলিজাৰ 'পোষ্টমৰ্টেম' জানো কৰিব পাৰি*
*তুমিতো জানাই তেজলৈ মোৰ ভয় কিমান ?*
*সেয়ে মাথোঁ বৰফ হৈ ৰ'ল*
*এপদ এপদকৈ গোটোৱা মোৰ অনুভৱবোৰ,*
*বুজিছা, মোক এজাক ৰ'দৰ প্ৰয়োজন হৈছে*
*সেমেকা বুকুৰ অ'ত ত'ত গজি উঠা*
*শেলুৰৈবোৰৰ বাবে ।।*
*তুমি শুনি দুখ পাবা হয়তো*
*তথাপিও কৈছোঁ*
*এতিয়াও বৰ্তি আছে*
*অস্থিৰতাৰ স'তে মোৰ সহবাস*
*খুউব মন যায় জানানে*
*হৃদয়ৰ পাকবোৰ এটা এটাকৈ খুলি যাবলৈ*
*কিন্তু..........*
*মেঘে ঢকা এখন আকাশৰ তলত*
*বহু দিন হ'ল বৈ আছোঁ*
*বৰষুণলৈ নে মেঘবোৰ আঁতৰি যোৱালৈ*
*কাৰ অপেক্ষাত*
*মই নিজেই নাজানো।।*
*জোনালী নিশা আৰু*
*আঁউসী নিশাৰ সৌন্দৰ্য*
*সমানেই উপভোগ্য মোৰ বাবে*
*তথাপিও ভাবোঁ কেতিয়াবা*
*সঁচা জানো*
*জীৱনটো এখন দাপোন*
*তুমি কোৱাৰ দৰে ?*

❑❑

## যাত্ৰা মহাশূন্যলৈ

দেৱযানী মজুমদাৰ
উঃ মাঃ ২য় বৰ্ষ (কলা)

*সময়ৰ কৰাল গৰ্ভত পাৰ হৈছে
মোৰ লেখাপানী নগৰীত দিনবোৰ
নিসংগ ভাবে খেলিছোঁ শূন্যতাৰ লগত
স্বপ্নভংগ বিষাদে শুকান কৰি জীৱনটো
সময়ে মোক ঠেলি দিছে হাহাকাৰলৈ
শূন্যতাৰ পিছত হেজাৰ শূন্যলৈ, মহাশূন্যলৈ
প্ৰতিটো নিশাই চকুযুৰিয়ে
মোৰ দুহাতত তুলি দিছে
একাঁজলি শৰতৰ নিয়ৰ
এটা শকত দামী উপহাৰ
সেইটো মাটিত পৰিল
টুকুৰা টুকুৰ হৈ ভাগি থাকিল
মোৰ জীৱন গঢ়াৰ সপোনবোৰ।
চাৰিও দিশ উদং উদং
মূৰৰ ওপৰৰ আকাশখন নাই
তথাপিও মোৰ অবিৰত যাত্ৰা
আৰু এটা শূন্যলৈ, মহাশূন্যলৈ ।*

❑❑

## একাঁজলি নিৰীহ বেদনা

চন্দ্ৰধৰ কলিতা
উঃমাঃ ১ম বৰ্ষ (কলা)

*একাঁজলি নিৰীহ বেদনা
বৈ যায় হিয়াৰে
দগ্ধ কৰি হৃদয় মোৰ
তপ্ত তীব্ৰ কামনাৰে ।
অসীম আশাৰ ৰেঙনি
দেখোঁ মই সপোনত ।
জাগ্ৰত হয় মোৰ
চঞ্চল যৌৱন
উষ্ণ হয় বুকুত মোৰ
হৃদয় কানন ।
ৰোমে ৰোমে হৃদয়ৰ সঞ্চিত
ৰক্তিম মৰমবোৰ
সঞ্চালিত খন্তেকৰ বাবে
সঞ্জীৱনীৰ সজাগতাত ।
আকৌ
একাঁজলি নিৰীহ বেদনা
বৈ যায় হিয়াৰে
দিও মাথোঁ প্ৰশ্ৰয় তাক
হৃদয়ৰ শীতল উমেৰে ।।*

❑❑

# আধাৰশিলা

অনিতা ৰাভা
স্নাতক ৩য় বৰ্ষ (কলা)

*আকৌ উভতি আহিম*
*যিদিনা জ্বলিব থাপনাত*
*তোমাৰ*
*শলিতা সংস্কৃতিৰ ।*
*তোমাৰ শলিতাই পোহৰাব*
*আঁউসী ৰাতি,*
*জাতি-উপজাতিৰ*
*বিভেদ গুচি*
*জয় হ'ব মানৱতাৰ*
*যিদিনা বুজিবা*
*যিদিনা চিনিবা*
*নিজকে*
*আকৌ আহিম উভতি ।*
*সেই দিনা আকৌ উভতিম*
*যোৱা বাটেৰে,*
*যিদিনা তোমাৰ ভুষণেৰে*
*সজাবা নিজকে ।*
*শেঁতা পোহৰত*
*তোমাৰ ধাৰণাৰ*
*তোমাৰ ভাৱনাৰ*
*শুভ্ৰতাৰ সাজ আঁতৰি*
*নীলাভ হ'ব ।*
*সেই দিনা তোমাৰ স'তে*
*দুয়ো একেলগে*
*সংস্কৃতিৰ থাপনাৰ*
*নীলা পোহৰৰ*
*ৰঙা শলিতা জ্বলাম ।* ❑❑

# সময়ৰ স'তে সহবাস

ৰঞ্জিত কুমাৰ ৰাভা
স্নাতক ৩য় বৰ্ষ (বিজ্ঞান)

*তুমি মোলৈ ঘূৰাই পঠিওৱা মৰমবোৰ*
*মই আলফুলকৈ ছিদ্ৰহীন বাকচত ভৰাই ৰাখিছোঁ ।*
*মন গ'লে তাৰ স'তে মই কথা পাতোঁ,*
*আলফুলকৈ আলিঙ্গন কৰি ৰোমন্থন কৰোঁ*
*পাৰ কৰি অহা অতীতবোৰ ।*
*চিৰন্তন গতিশীল সময়ৰ স'তে খোজ মিলাই*
*আগুৱাই আহিলোঁ বহুদূৰ ।*
*সময়ৰ সোঁতত মোৰ চিন্তাবোৰ*
*পৰিবৰ্তন হৈ গৈ আছে আৰু থাকিব ।*
*কিন্তু পৰিবৰ্তন হোৱা নাই মোৰ লক্ষ্য*
*কোনোবা মন্দিৰৰ পূজাৰী হোৱাৰ,*
*নিত্য নতুন পুৱা গধূলি*
*নানা ৰঙীন ফুল ফুলে*
*পূজাৰ মন্দিৰত*
*উচ্চাৰিত হয় সকলোৰে বাবে*
*পূজাৰ মূল-মন্ত্ৰ,*
*শিৰ নত কৰি ধন্য লভে*
*ব্যাকুল দৰ্শনাৰ্থী ।*
*সেয়েহে সুধিব খুজিছোঁ তোমাক প্ৰিয়া,*
*আহেনে নিতৌ নতুন আলহী পূজাৰী হ'বলৈ*
*তোমাৰ হিয়াৰ মন্দিৰত ?*

❑❑

# নিৰ্জনতাৰ কবিতা

দধী মোহন মেধি
স্নাতক ৩য় বৰ্ষ (কলা)

*নিস্তব্ধতাৰ বিশুদ্ধ কণ্ঠত*
*ভেটাভেটি হওঁ*
*জীৱনৰ প্ৰতি ৰন্ধ্ৰে ৰন্ধ্ৰে*
*সহস্ৰ জনৰ স'তে ।*
*মূৰ্ত হৈ উঠে*
*জীৱনৰ বেথাভৰা গান*
*আৰু*
*আকাশৰ বিশালতা ।*
*ক'ব নোৱাৰাকৈ*
*ভৰাই তোলে বুকু ।*
*প্ৰতিটো মুহূৰ্ততে*
*চকুৰ আগত বৈ থাকে*
*একবিংশ শতিকাৰ*
*এখন বিশাল নদী ।* ❑❑

# আশা

জয়ন্ত শৰণীয়া বড়ো
উঃ মাঃ ২য় বৰ্ষ

*যেতিয়াই তুমি মোৰ দুচকুৰ আগৰ পৰা*
*অদৃশ্যমান ঠাইলৈ ধাৱমান হোৱা*
*তেতিয়াই নিঃশেষ হৈ যাব খোজে*
*জীয়াই থকাৰ হেঁপাহ*
*জীৱনৰ প্ৰতি জন্মে চৰম বিতৃষ্ণা*
*পৰিত্যাগ কৰিবলৈ ইচ্ছা হয় পাৰ্থিৱ সুখ*
*স্তব্ধ হৈ যাব খোজে মোৰ*
*চক্ৰাকাৰে ঘূৰি থকা জীৱন বৃত্ত,*
*কিন্তু*
*শৰতৰ ৰঙীন সূৰ্যটোৰ দৰে*
*তুমি পুনৰ দেখা দিয়াহি মোক,*
*নতুন উদ্যম নতুন সাহস বুকুত বান্ধি*
*পুনৰ অগ্ৰসৰ হওঁ তোমাৰ পাছে পাছে,*
*তোমাৰ অদৃশ্যমান শৰীৰটোৰ*
*মই যেন এটি দৃশ্যমান ছাঁ ।*
*যদিওবা সততে দুলৰ্ভ তুমি*
*জীৱনৰ শেষ সীমা পৰ্যন্ত*
*তথাপি সাজোঁ সপোনৰ কাৰেংঘৰ*
*তোমাৰ স'তে*
*খেলি ভালপাওঁ কইনা-দৰা*
*তোমাৰ বাবেই*
*এই জীৱন বহনীয়া ।* ❑❑

# তোমাৰ পৰশত


সংগ্ৰামী কলিতা
স্নাতক ১ম বৰ্ষ (কলা)



*মোৰ চকুলোবোৰে
ধুৱাই পেলাইছিল
মোৰ হৃদয়ৰ কোমলতাক
মোৰ শৰীৰৰ প্ৰত্যেকটো
তেজৰ কণিকাই
বুৰাই পেলাইছিল সমস্ত সিৰা উপসিৰাক ।
তোমাৰ বৰ্ষ সিক্ত নয়নে
মোৰ হৃদয়ত ধুমুহাৰ সৃষ্টি কৰে ।
তোমাৰ মেঘাছন্ন চকুযুৰিয়ে
মোৰ লঠঙা হৃদয়খনক
প্লাৱিত কৰাৰ প্ৰয়াসেৰে
মোৰ ফাট ধৰা হৃদয়খন
জীপাল কৰি তোলে ।*

# দেওলগা মহানগৰ

দেৱজিৎ দাস
উঃ মাঃ ২য় বৰ্ষ (কলা)



*ৰাতি মাতাল হোৱা মহানগৰীত
সভ্যতাৰ গহীন হলৌ চোলা পিন্ধাবোৰে ।
খেপিয়াই ফুৰে নৰকৰ নৃত্য বিছাৰি
যিমানে ৰাতি হয়, সিমানে বন্ধকোঠাত
প্ৰতিধ্বনিত হয়
কৃত্ৰিম ডালিম ফটা ওঠত অশ্লীল ভাষা,
আকৌ সম্ভ্ৰান্ত নাৰীৰ খহি পৰে
স্তনৰ আভৰণ,
বন্ধ হৈ যোৱা কোঠালিটো
আৰু নোখোলে
যেতিয়ালৈ অক্টোপাছৰ আলিঙ্গনৰ পৰা
নিজকে মুক্ত কৰিব নোৱাৰে ।*

# ব্যাকুল হিয়াই মাতে

জ্যোতিকা ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

ব্যাকুল হিয়াই মাতে সেউজীয়া তোমাকে ৰিঙিয়াই
তোমাৰ স'তে হিয়াই আলিংগন কৰিবলৈ,
পৰ্বতৰ শিলত ঠেকা খাই জিলিকা পাখিৰে
নাচি নাচি অহা নৈৰ কুলু কুলু সুললিত স্বৰ আৰু ভঙ্গিমাত
মনৰ পখীটিও নাচে মিঠা এক গুঞ্জৰেৰে
সেউজীয়াবোৰে নাচে
ফাগুনৰ সমীৰে কঢ়িয়াই অনা বা' লাগি
শুকান গছৰ ডালটিও দেখোঁ দোলে মনে মনে
মনৰ মাজত আশাবোৰ লৈ
কিজানিবা ব'হাগ আহেই
থোপাথুপে লাগিব সেউজীয়াবোৰ
আকৌ ভৰি পৰিব শুকান শিপাত নৱ সজীৱতা
হয়তো ৰুক্ষডালত বিৰাজ কৰিব কোমল সেউজীয়া সজীৱতা।

❑❑

# আহ্বান

দীনবন্ধু ঠাকুৰীয়া
স্নাতক ১ম বৰ্ষ (কলা)


হেৰা ডেকা ল'ৰা জননীৰ সন্তান
শুনা নাই জানো পুত্ৰহাৰা মাতৃৰ ক্ৰন্দন ?
তহঁত যে মোৰ অতিকে' আপোন ।
হাতত মাৰণাস্ত্ৰ তুলি
খোৰা-বোৰা নিদ্ৰা ভংগ কৰি
পাহাৰৰ গুহাই গুহাই ঘুৰি
ক'ত বাৰু স্বাধীনতাৰ সপোন ৰচিলি ?
বন্দুক-বাৰুদৰ শব্দ ইমান ভয়াল
জননী আতঙ্কিত
তোমালোকৰ আছেনে খিয়াল ?
তহঁতৰ দেহ তেজ-মঙহেৰে গঢ়া
মাতৃ দেৱীক পুত্ৰ হাৰা কৰি
দেশদ্ৰোহী কিয় হোৱা ?
শত্ৰুই শত্ৰুতা বঢ়ায়
জাতিৰ কলঙ্ক সানে
উভতি আহা অহিংসাৰ পথলৈ
মাতিছোঁ ভাই কাতৰে
মাতৃৰ বুকু তেজেৰে কৰি ৰাঙলী
বৃথা সপোন কিয় ৰচিলি ? ❑❑


# সেই প্ৰেম সেই তৃষ্ণা

গৌতম মজুমদাৰ
উঃ মাঃ ১ম বৰ্ষ (কলা)

*তোমাৰ ভালপোৱা*
*বুকু জুৰি বৈ আছিল বহু দিন*
*তুমি এই পথেৰেই*
*হেৰাই গ'লা*
*নিসঙ্গতাৰ আঁৰত ।*
*এদিন সেই প্ৰেম, সেই তৃষ্ণাৰে*
*তোমাৰ প্ৰাণৰ পিয়লা ভৰাই দিছিলোঁ*
*মোৰ হৃদয়ৰ অসীম ভালপোৱাৰে ।*
*কিন্তু তুমি গোপনে আঁতৰাই পেলাইছা*
*মোৰ বুকুৰ ৰস*
*মই বাৰে বাৰেই ৰঙত ভোল যাওঁ*
*হাজাৰ ৰঙৰ মাজতে তুলি লওঁ*
*এপাহি হালধীয়া কৰবী ।*

❑❑





# স্বাগতম

(সমূহ নৱাগত ছাত্ৰ-ছাত্ৰীৰ হাতত অৰ্পিত)

বশিষ্ঠ দেৱশৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)

*স্বাগতম স্বাগতম*
*নৱবৰ্ষৰ স্বপ্নাতুৰ*
*দৰদী নৱাগত,*
*তোমাৰ পৰশতে*
*জৱাহৰ জ্যোতি*
*হওক বিকশিত*
*ৰূপালীৰ ৰূপ জ্যোতিৰে*
*সোণালীৰ বা' লাগি*
*মহাবিদ্যালয় হওক পুলকিত,*
*মনোমহা প্ৰকৃতিৰ ৰঙেৰে*
*বৰেণ্য কৃষ্টিৰ আভাৰে*
*আই হওক হৰষিত ।*
*প্ৰাণৰ দৰদী*
*প্ৰাণ পখিলীৰ*
*স্বপ্ন হওক বাস্তৱায়িত,*
*অসীম ত্যাগ*
*অবিৰত সাধনাই*
*জীৱন কৰিব ধন্য ।* ❑❑